# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 14-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মিছন মৌচমৰ শুভাৰম্ভ কৰিব। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ সময়ত ভাৰত মণ্ডপমত প্ৰধানমন্ত্ৰীয়ে এই অভিযান আৰম্ভ কৰিব।

২। ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন শ্বনমুগাৰত্নম আজি পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব।

৩। ওড়িশা, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য আঁচনি ৰূপায়ণ কৰা ৩৪ সংখ্যক ৰাজ্য হিচাপে পৰিগণিত হৈছে।

৪। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই কাইলৈ হ'বলগীয়া ইউ জি চি নেট ডিচেম্বৰ ২০২৪ৰ পৰীক্ষা বাতিল কৰিছে। **আৰু**

৫। ভাৰতে এইবাৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত খো খো বিশ্বকাপ প্ৰতিযোগিতাত বিজয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মিছন মৌচমৰ শুভাৰম্ভ কৰিব। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ সময়ত ভাৰত মণ্ডপমত প্ৰধানমন্ত্ৰীয়ে এই অভিযান আৰম্ভ কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি মিছন মৌচমে অত্যাধুনিক বতৰ নিৰীক্ষণ প্ৰযুক্তি আৰু ব্যৱস্থা বিকশিত কৰিব। এই পদক্ষেপৰ দ্বাৰা উচ্চ প্ৰাবল্যৰ বায়ুমণ্ডলীয় পৰ্যবেক্ষণ, পৰৱৰ্তী প্ৰজন্মৰ ৰাডাৰ আৰু উপগ্ৰহ আৰু উচ্চ ক্ষমতাসম্পন্ন কম্পিউটাৰ সন্নিবিষ্ট কৰা হ'ব। ইয়াৰ উপৰিও এই অভিযানে বতৰ আৰু জলবায়ুৰ বিষয়ে জনাৰ ব্যৱস্থা উন্নত কৰা আৰু বায়ুৰ গুণাগুণৰ তথ্য প্ৰদান কৰাতো গুৰুত্ব দিব। যাৰ দ্বাৰা দীৰ্ঘম্যাদী বতৰ ব্যৱস্থাপনা আৰু কৌশল প্ৰস্তুত কৰাত সহায়ক হ'ব। এই অনুষ্ঠানতেই প্ৰধানমন্ত্ৰীয়ে বতৰ স্থিতিস্থাপকতা আৰু জলবায়ু পৰিৱৰ্তনৰ অভিযোজনাৰ বাবে **আই এম ডি ভিছন ২০৪৭** প্ৰকাশ কৰিব। ইয়াত বতৰৰ পূৰ্বাভাস, বতৰ ব্যৱস্থাপনা, জলবায়ু পৰিৱৰ্তন প্ৰশমনৰ পৰিকল্পনা অন্তৰ্ভুক্ত কৰা হৈছে। বিগত ডেৰশ বছৰত আই এম ডিৰ কৃতিত্বৰ প্ৰদৰ্শনৰ বাবে ধাৰাবাহিকভাৱে অনুষ্ঠান কাৰ্যসূচী আৰু কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই উদযাপনত জলবায়ুৰ স্থিতিস্থাপকতা, বতৰ আৰু জলবায়ুৰ ক্ষেত্ৰত আই এম ডিৰ ভূমিকা আৰু অৱদানৰ ওপৰত আলোকপাত কৰা হ'ব।

০০০০০

ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন শ্বনমুগাৰত্নম আজি পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব। তেওঁৰ লগত মন্ত্ৰী, সংসদ সদস্য আৰু বিষয়াকে ধৰি এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো আহিব। ছিংগাপুৰৰ ৰাষ্ট্ৰপতিৰূপে এয়া হৈছে শ্ৰীশ্বনমুগাৰত্নমৰ প্ৰথমটো ভাৰত ভ্ৰমণ। এই ভ্ৰমণকালত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ লগতে অহা ১৭ আৰু ১৮ জানুৱাৰীত ওড়িশা ভ্ৰমণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ সন্মানাৰ্থে এখন ভোজ মেলৰো আয়োজন কৰিছে। উল্লেখযোগ্য যে বিশ্বাস আৰু পাৰস্পৰিক সন্মানৰ ওপৰত ভিত্তি কৰি ভাৰত আৰু ছিংগাপুৰৰ ব্যাপক সহযোগিতা আছে। ৰাষ্ট্ৰপতি থৰমনৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণৰ জৰিয়তে ভাৰত আৰু ছিংগাপুৰৰ মাজৰ ৬০ বছৰীয়া কূটনৈতিক সম্পৰ্কৰ জয়ন্তীও উদযাপন কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওড়িশাত আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য আঁচনি ৰূপায়ণ হোৱা বাবে ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমিত দিয়া এটা পʼষ্টত শ্ৰীমোডীয়ে কয়, যে এই আঁচনিয়ে কম খৰচত উচ্চ মানৰ স্বাস্থ্যসেৱা সুনিশ্চিত কৰিব। তেওঁ লগতে এই আঁচনিৰ দ্বাৰা ৰাজ্যখনৰ জনসাধাৰণ বিশেষকৈ নাৰী শক্তি আৰু বয়োজ্যেষ্ঠ লোকসকল লাভান্বিত হ'ব বুলি প্ৰকাশ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে স্পেইনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী জʼছে মেনুৱেল আলবেৰাছৰ সৈতে কালি মাদ্ৰিডত এটা আলোচনাত মিলিত হয়। সামাজিক মাধ্যমযোগে ড০ জয়শংকৰে জনায় যে বৈঠকত বাণিজ্যি, বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা, নগৰ উন্নয়ন, ৰেʼলৱে আদিকে ধৰি বিভিন্ন দ্বিপাক্ষিক অংশীদাৰিত্বৰ ওপৰত আলোচনা কৰা হৈছিল। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ভাৰত আৰু ইউৰোপীয় সংঘৰ সম্পৰ্ক উন্নত কৰাৰ বাবে স্পেইনৰ ভূমিকাক ভাৰতে শলাগ লৈছে। ড০ জয়শংকৰে উল্লেখ কৰে যে দুয়োখন দেশে ক্ৰীড়া আৰু বহনক্ষম নগৰ উন্নয়নৰ ক্ষেত্ৰত চুক্তি স্বাক্ষৰ কৰে। এই বছৰটোৰ ভিতৰত ভাৰত আৰু স্পেইনৰ সম্পৰ্ক আৰু অধিক শক্তিশালী হ'ব বুলি বিদেশ মন্ত্ৰী ড০ জয়শংকৰে প্ৰকাশ কৰে।

০০০০০

ওড়িশা, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য আঁচনি ৰূপায়ণ কৰা ৩৪ সংখ্যক ৰাজ্য হিচাপে পৰিগণিত হৈছে। এই আঁচনিৰ অধীনত প্ৰতিটো পৰিয়ালক বছৰি ৫ লাখ টকাৰ স্বাস্থ্য সুবিধা প্ৰদাৰ কৰা হ'ব। ওড়িশা চৰকাৰক ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণ আৰু স্বাস্থ্য তথা পৰিয়াল কল্যাণ বিভাগে নতুন দিল্লীত কালি এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই এই আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত এতিয়ালৈ ৮ কোটিতকৈও অধিক লোকক স্বাস্থ্য সেৱা প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ লগে এই আঁচনিয়ে আগবঢ়োৱা স্বাস্থ্য সুবিধাৰ ফলত দেশৰ দূৰণীৰতীয়া আৰু ভিতৰুৱা অঞ্চলসমূহতো স্বাস্থ্য সেৱা যথেষ্ট উন্নত হৈছে বুলি প্ৰকাশ কৰে।

০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি খেতি চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি উদযাপন কৰা হৈছে। মকৰ সংক্ৰান্তিয়ে শীতৰ অন্ত পৰা আৰু দীঘলীয়া দিনৰ আৰম্ভণিৰ সূচনা কৰে। এই উৎসৱক দেশৰ বিভিন্ন অংশত

বিভিন্ন নামেৰে জনা যায়। এই উৎসৱ অসমত ভোগালী বিহু, তামিলনাডু পংগাল, গুজৰাটত উত্তৰায়ণ আৰু পশ্চিমবংগত পৌষ সংক্ৰান্তি হিচাপে উদযাপন কৰে।

ooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই কাইলৈ হ'বলগীয়া ইউ জি চি নেট ডিচেম্বৰ ২০২৪ৰ পৰীক্ষা বাতিল কৰিছে। এটা বিবৃতিযোগে সংস্থাটোৱে কয়, যে ১৫ জানুৱাৰীত পংগাল, মকৰ সংক্ৰান্তি আৰু অন্যান্য উৎসৱৰ বাবে ইউ জি চি নেট পৰীক্ষা পিছুৱাবৰ বাবে অনুৰোধ জনোৱাৰ পৰিপ্ৰেক্ষিতত এই পৰীক্ষা বাতিল কৰা হৈছে। এই পৰীক্ষাৰ বাবে পৰৱৰ্তী দিনৰ ঘোষণা পিছত কৰা হ'ব। সংস্থাটোৱে জনোৱা অনুসৰি ১৬ জানুৱাৰীৰ পৰীক্ষা পূৰ্বৰ সূচীৰ দৰেই অনুষ্ঠিত কৰা হ'ব।

ooooo

স্থলসেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে দেশৰ উত্তৰ সীমান্তৰ পৰিস্থিতি সুস্থিৰ হৈ আছে বুলি প্ৰকাশ কৰিছে। কালি নতুন দিল্লীত সেনা বাহিনীৰ বাৰ্ষিক সংবাদ সন্মিলনত অংশগ্ৰহণ কৰি জেনেৰেল দ্বিবেদীয়ে দৃঢ়তাৰে কয়, যে দেশৰ উত্তৰ সীমান্ত সদায়েই সংবেদনশীল যদিও সেনা বাহিনী যিকোনো প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে সৰ্বদা প্ৰস্তুত। সীমান্ত অঞ্চলত শক্তিশালী আন্তঃগাঁথনি গঢ়ি তোলাতো সেনা বাহিনীৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ বুলি উল্লেখ কৰি সেনা প্ৰধানগৰাকীয়ে কয়, যে পূব লাডাখ খণ্ডৰ বিবদমান দেমচক আৰু দেপচাং অঞ্চলত থকা মতানৈক্য আঁতৰ কৰা হৈছে। সেনা বাহিনীয়ে প্ৰকৃত নিয়ন্ত্ৰণৰেখাৰ ওপৰত সদায়ে চকু ৰাখিছে বুলিও জেনেৰেল দ্বিবেদীয়ে প্ৰকাশ কৰে। মণিপুৰৰ পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰি সেনাধ্যক্ষগৰাকীয়ে কয়, যে বিভিন্ন বাহিনীৰ মাজত সুসমন্বয় আৰু চৰকাৰৰ আগতীয়া হস্তক্ষেপৰ বাবে ৰাজ্যখনৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে। মণিপুৰত বহু ঘটনাৰ প্ৰতিক্ৰিয়া ৰূপত সংঘটিত ঘটনাৰ প্ৰতি চকু ৰাখিব লাগিব আৰু ৰাজ্যখনত শান্তি ঘূৰাই অনাৰ বাবে সেনা বাহিনীয়ে কাম কৰি যাব।

বাংলাদেশৰ পৰিস্থিতি সন্দৰ্ভত মন্তব্য কৰি সেনা প্ৰধানগৰাকীয়ে কয়, যে বাংলাদেশ ভাৰতৰ বাবে কৌশলগত কাৰণত অতি গুৰুত্বপূৰ্ণ আৰু সেয়েহে দুয়ো চুবুৰীয়া দেশৰ মাজৰ বৈৰীভাৱ কোনো এখন দেশৰ বাবেই অনুকুল নহয়। জম্মু-কাশ্মীৰ প্ৰসংগত উল্লেখ কৰি জেনেৰেল দ্বিবেদীয়ে কয়, যে ৰাজ্যখনৰ পৰিস্থিতি বৰ্তমান সম্পূৰ্ণ নিয়ন্ত্ৰণলৈ আহিছে আৰু ৰাজ্যখন বৰ্তমান সন্ত্ৰাসবাদীৰ বিচৰণভূমিৰ পৰা পৰ্যটকৰ বিচৰণভূমিলৈ পৰিৱৰ্তিত হৈছে। যোৱা বছৰ সেনা বাহিনীৰ হাতত নিহত সন্ত্ৰাসবাদীসকলৰ ৬০ শতাংশই পাকিস্তানৰ পৰা অহা সন্ত্ৰাসবাদী আছিল বুলি উল্লেখ কৰি জেনেৰেল দ্বিবেদীয়ে পাকিস্তানক সন্ত্ৰাসবাদৰ কেন্দ্ৰবিন্দু বুলি অভিহিত কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ ভয়ংকৰ বনজুইৰ কবলত পৰি মৃত্যু হোৱা লোকৰ সংখ্যা ২৪ জনলৈ বৃদ্ধি পাইছে। ভূমি সা-সম্পত্তি, কৃষিখণ্ড, আন্তঃগাঁথনি আৰু স্থানান্তৰিত হ'বলগীয়া লোকসকলৰ স্বাস্থ্য সেৱা ব্যয় সামৰি এই বনজুইৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ ১৩ হাজাৰ ৫০০ৰ পৰা ১৫ হাজাৰ কোটি ডলাৰ হ'ব বুলি অনুমান কৰা হৈছে। সংবাদ মাধ্যমসমূহে প্ৰকাশ কৰা অনুসৰি ক্ষয় ক্ষতিৰ পৰিমাণলৈ লক্ষ্য ৰাখি আমেৰিকাত শীঘ্ৰে বীমাৰ ধন আদায় দিয়াৰ ক্ষেত্ৰত বীমা কোম্পানীসমূহ সংকটৰ সন্মুখীন হ'ব। লছ এঞ্জেলছত এতিয়াও

তিনিকুৰা বনজুই জ্বলি আছে আৰু ইয়াৰে সৰ্ববৃহৎ পেলিচেদজ্ বনজুই এতিয়ালৈকে মাথো ১৩ শতাংশহে নিৰ্বাপিত কৰিব পৰা হৈছে।

ooooo

ভাৰতে এইবাৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত খো খো বিশ্বকাপ প্ৰতিযোগিতাত বিজয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত গ্ৰুপ-এৰ প্ৰথমখন খেলত ভাৰতে নেপালক ৪২-৩৭ ফলাফলত পৰাস্ত কৰে। ভাৰতৰ আদিত্য গনপুলে শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয়। এই প্ৰতিযোগিতাত ২০ খনতকৈও অধিক দেশৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। খো খো বিশ্বকাপৰ প্ৰতিযোগিতা কোৱাৰ্টাৰ ফাইনেল খেলসমূহ ১৭ জানুৱাৰীত অনুষ্ঠিত হ'ব। ছেমি ফাইনেল ১৮ জানুৱাৰীত আৰু চূড়ান্ত খেলখন অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব।

ooooo

নতুন দিল্লীৰ যাধৱ ইনড'ৰ হ'লত আজি ইণ্ডিয়ান অপেন ছুপাৰ ছেভেন ফিফ্‌টি বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত অলিম্পিক পদক বিজয়ী খেলুৱৈৰ লগতে ভাৰতৰ ৩৬ গৰাকী খেলুৱৈসহ ২০০তকৈও অধিক খেলুৱৈয়ে ভাগ লৈছে। আজি ৰাউণ্ড অৱ থাৰ্টি টুৰ খেলসমূহ আৰম্ভ হ'ব। যোৱা বছৰ পেৰিচ অলিম্পিকৰ পাছত দীঘলীয়া সময়ৰ বিৰতিৰ অন্তত পি ভি সিন্ধুৱে এই প্ৰতিযোগিতাত ভাগ ল'ব। সিন্ধুৱে মহিলাৰ ছিংগলছৰ ৰাউণ্ড অৱ থাৰ্টি টুৰ এখন খেলত আজি টাইৱানৰ চুং শ্ব'অ য়ানৰ মুখামুখি হ'ব। ভাৰতৰ সতীশ কৰুণাকৰণ আৰু আদ্যা ভেৰিয়াথৰ যুটীয়ে ফ্ৰান্সৰ থম গিগকোৰেল আৰু ডেলফিন ডেলৰুৰ বিৰুদ্ধে খেলিব। ভাৰতৰ স্বাতিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৱে মালয়েছিয়াৰ টী কাই ওন আৰু মেন ৰে চুংৰ বিৰুদ্ধে খেলিব।

ooooo

সমাপ্ত